For members only

# যোগাযোগ

## JOGAJOG

March-April : 2018

Vol : 10 No:6-7 Sl No: 114

Monthly Newsletter of
Assam Association, Delhi

*Edited By:*
**Hiron Dutta**
Ph: +91 8076347368, 9810452442

***This is a stopgap arrangement till Editor Dr Sangeeta Dutta, who is on leave, takes over again***
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com

যোগাযোগ - ১১৪

মাৰ্চ-এপ্ৰিল ঃ ২০১৮

## সম্পাদকৰ একলম

অসম এছোচিয়েছন, দিল্লীৰ মাহেকীয়া সংবাদ পত্ৰিকা "যোগাযোগ"ৰ পঢ়ুৱৈসকলক জয়জয়তে জনাইছো অসমীয়া নতুন বছৰৰ শুভেচ্ছা আৰু ৰঙালী বিহুৰ ওলগ।

তেনেই অভাৱনীয়ভাৱে মই এয়া "যোগাযোগ"ত এনেকৈ সম্পাদকৰ একলম লিখিব লগা হৈছে। "যোগাযোগ"ৰ নিয়মীয়া সম্পাদিকা ড° সংগীতা দত্তৰ ব্যক্তিগত কাৰণত দীঘলীয়া অনুপস্থিতিত এতিয়া এছোচিয়েছনৰ সভাপতি ডাঙৰীয়াৰ আগ্ৰহত এয়া মই অস্থায়ীভাৱে হ'লেও পুনৰবাৰ "যোগাযোগ"ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিব লগা হ'ল। কিন্তু মাৰ্চৰ মাহৰ "যোগাযোগ"খন সময়মতে উলিয়াবৰ বাবে যিহেতু ইতিমধ্যে বহুত পলম হৈ গ'ল সেয়ে সেই সংখ্যাটোক এপ্ৰিল মাহৰ সংখ্যাৰ লগত সাঙুৰি এয়া একেলগে মাৰ্চ-এপ্ৰিল সংখ্যাৰূপে উলিওৱাৰ বাহিৰে অন্য কোনো বিকল্প নাছিল।

এটা কথা নকৈ নোৱাৰো যে যোৱা কিছুদিনৰ পৰা "যোগাযোগ"ৰ প্ৰকাশ কিছু অনিয়মীয়া হোৱাত আৰু তাকো কেৱল ডিজিটেল ৰূপতহে উপলব্ধ হ'বলৈ লোৱাত ৰাইজৰ একাংশই, বিশেষকৈ বয়োজ্যেষ্ঠ সকলে এছোচিয়েছনৰ সৈতে যোগাযোগবিহীন হৈ পৰা বুলি আক্ষেপ প্ৰকাশ কৰাটো দৃষ্টিগোচৰ হৈছে। এতিয়া এছোচিয়েছনৰ কাৰ্যনিৰ্বাহকে সেই বিসংগতিৰ প্ৰতিবিধানাৰ্থে সেই সকললৈ ছপা কৰা "যোগাযোগ" ডাকযোগে পঠোৱাৰ ব্যৱস্থাটো পুনৰ আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। আশা কৰো "যোগাযোগ"খন ৰাইজৰ সকলো চামৰ সৈতে এছোচিয়েছনৰ সফল যোগসূত্ৰৰূপে পুনৰ পৰিগণিত হ'ব।

*- হিৰণ দত্ত, অস্থায়ী সম্পাদক*

## এছোচিয়েছনৰ ৰাজহুৱা ৰঙালী বিহু উদ্‌যাপনলৈ নিমন্ত্ৰণ

শ্ৰদ্ধেয় ৰাইজ,

জয়জয়তে অসম এছোচিয়েছন, দিল্লীৰ হৈ আপোনালোক সকলোকে সমাগত অসমীয়া নৱ বৰ্ষৰ শুভকামনা জনাইছো। অসমীয়া নৱবৰ্ষৰ পাতনি মেলা ব'হাগ মাহৰ বা লাগিলেই দেশ-বিদেশত থকা প্ৰতিজন অসমীয়াৰ দেহ-মন নাচি উঠে। আমাৰো দেহ-মন আজি থৌকি-বাথৌ।

অসম এছোচিয়েছন, দিল্লীয়ে অহা ১৫ এপ্ৰিল দেওবাৰে প্ৰতি বছৰৰ দৰেই দিনটীয়াকৈ ব'হাগ বিহু সমাৰোহৰ আয়োজন কৰিছে ৰাজধানীস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ চৌহদত বিয়লি ৬ বজাৰ পৰা। তালৈ আপোনালোক সদৌটিকে সাদৰ নিমন্ত্ৰণ জনাইছো। আহক, সপৰিয়ালে সবান্ধৱে আহি বিহু উৎসৱৰ আনন্দৰ সমভাগী হওক। বিহুতলীত আমি আপোনালোকলৈ বাট চাই ৰ'ম।

বিনীত

অচ্যুত কুমাৰ শইকীয়া-সভাপতি দীপক শইকীয়া-সাধাৰণ সম্পাদক

অসম এছোচিয়েছন, দিল্লী

## ১৫ এপ্ৰিলত অসম এছোচিয়েছন, দিল্লীত ৰঙালী বিহুৰ আয়োজন

অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত অহা ১৫ এপ্ৰিল দেওবাৰৰ দিনা ৰাজধানীৰ জনপথ/ৰাজেন্দ্ৰ প্ৰসাদ ৰ'ড স্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ (IGNCA)-ৰ চৌহদত প্ৰতিবছৰৰ দৰেই এইবাৰো বিহুবলিয়া অসমীয়াৰ হৰ্ষোল্লাসৰ মাজত ৰঙালী বিহু উদ্‌যাপনৰ আয়োজন কৰা হৈছে। সেইদিনা বিয়লি ৬ বজাৰ পৰা ৰাতি ১০ বজালৈকে উখল-মাখল হ'ব লগা এইবাৰৰ বিহু সমাৰোহৰ সাংস্কৃতিক অনুষ্ঠানত হুঁচৰি, বিহু আৰু অকণ-অকণিৰ নৃত্য, পৰিৱেশনকে ধৰি বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যক্ৰম থাকিব। বিশেষ আকৰ্ষণ হ'ব অসমৰ পৰা বিশেষ ভাৱে আমন্ত্ৰিত খ্যাতনামা কণ্ঠশিল্পী মৌচম গগৈ, আৰু নিৰ্মালী দাসৰ গীতৰ শৰাই।

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা-কেন্দ্ৰ(IGNCA)ৰ চৌহদৰ ভিতৰৰ বিহুতলীলৈ প্ৰৱেশদ্বাৰ থাকিব ৰাজেন্দ্ৰ প্ৰসাদ ৰ'ডৰ পৰা। আগন্তুকসকলৰ বাবে গাড়ীৰ বিনামূলীয়া পাৰ্কিঙৰ পৰ্যাপ্ত সুবিধা আছে। আনকালৰ দৰেই এইবাৰো বিহুতলীত কেইবাখনো বিপনি থাকিব য'ত অসমকে ধৰি উত্তৰ-পূবৰ বিভিন্ন প্ৰকাৰৰ জুতি লগা খাদ্য সম্ভাৰ, হস্তশিল্পজাত সামগ্ৰী, সাজ-পাৰ আৰু অন্য আচবাব-পত্ৰৰ প্ৰদৰ্শন আৰু ক্ৰয়-বিক্ৰয়ৰ সুবিধা থাকিব।

# ঠায়ে ঠায়ে বিহুৰেই বিহু...

**গুৰগাঁৱঃ—** অসম এছোচিয়েছন, গুৰগাঁৱৰ উদ্যোগত অহা ১৪ এপ্ৰিল শনিবাৰে গুৰগাঁৱৰ ছেক্টৰ ৫৬ স্থিত HUDA Community Center-ত আড়ম্বৰপূৰ্ণভাৱে ৰঙালী বিহু উদ্‌যাপনৰ আয়োজন কৰা হৈছে। সন্ধিয়া ৬ বজাত আৰম্ভ হ'ব লগা বিহুৰ সাংস্কৃতিক অনুষ্ঠানৰ অন্যান্য কাৰ্যক্ৰমৰ উপৰি বিশেষ আকৰ্ষণ হ'ব অসমৰ পৰা নিমন্ত্ৰিত খ্যাতনামা কণ্ঠশিল্পী জুবলী বৰুৱাৰ গীত পৰিৱেশন।

**ফৰিদাবাদঃ—** অসম এছোচিয়েছন, ফৰিদাবাদৰ উদ্যোগত অহা ২১ এপ্ৰিল শনিবাৰৰ দিনা 21-C, Community Center(opp:Park Plaza Hotel-ত বিয়লি ৬ বজাৰ পৰা ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। কোৰাচ, হুঁচৰি, বিহু আদি কাৰ্যসূচীৰ উপৰি সেইদিনাৰ সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ হ'ব অসমৰ পৰা আমন্ত্ৰিত খ্যাতনামা কণ্ঠশিল্পী নীল আকাশ, আৰু দীপশিখা বৰাৰ গীতৰ শৰাই। এছোচিয়েছনৰ মুখপত্ৰ "উদয়ন"ৰ নতুন সংস্কৰণটোও উন্মোচন কৰা হ'ব।

**নয়ডাঃ—** Assam people's welfare Association, Trans Yamuna Delhi-NCR-ৰ সৌজন্যত অহা ২১ এপ্ৰিল শনিবাৰে নয়ডাৰ ছেক্টৰ ৬১ স্থিত RWA Community Center-ত উদ্‌যাপন কৰা হ'ব। কোৰাচ, বিহু, হুঁচৰি, কথক নৃত্য, Them Show আদিৰ উপৰি সেইদিনাৰ সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব গীতালি কাকতি আৰু সংগীবৃন্দই। তাৰ আগদিনা ২০ এপ্ৰিলৰ বিয়লি মৌ-কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

**দ্বাৰকাঃ—** ৰাজধানীৰ দ্বাৰকা উপ-নগৰীত অহা ২২ এপ্ৰিল দেওবাৰৰ দিনা অসমীয়া কৃষ্টিকেন্দ্ৰ, দ্বাৰকাৰ উদ্যোগত ছেক্টৰ ১০ স্থিত প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেণ্টৰ চৌহদত বিয়লি ৭ বজাৰ পৰা উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। অকণ-অকণিৰ নৃত্য আৰু কেৱল স্থানীয় শিল্পীৰ দ্বাৰা হুঁচৰি, বিহু আৰু গীত-মাতৰ সাংস্কৃতিক অনুষ্ঠানৰ অন্তত প্ৰীতি ভোজেৰে বিহু সামৰা হ'ব।

## ইন্‌লিৰ বিহুনাচৰ কৰ্মশালা আৰু বিহুৱতী প্ৰতিযোগিতা

অহা ৫-১০ এপ্ৰিললৈ সংগীত নাটক অকাডেমীৰ সহযোগত ইন্‌লি ফাউণ্ডেচনে মাণ্ডি হাউচৰ সংগীত নাটক অকাডেমী চৌহদত বিহু নাচ, ঢোলবাদন, ঝুমুৰ নাচৰ কৰ্মশালাৰ আয়োজন কৰিছে। প্ৰশিক্ষণ প্ৰদান কৰিব বিহু গুৰু ডা. প্ৰসন্ন গগৈ, বিহু সম্ৰাজ্ঞী কৃষ্ণাপ্ৰিয়া গগৈ, ঢোলৰ ওজা লাচিত গগৈ, পেঁপাবাদক পবিত্ৰ বৰাই। সহযোগ কৰিব- পল্লৱী, তন্ময়ীৰাণী, শিখা, ধৰ্মিষ্ঠা, হিমাংশু, উৎপল আৰু উজ্জ্বলে। অংশগ্ৰহণ সকলোৰে বাবে মুকলি। ১০ এপ্ৰিলত হিৰণ্য খাউণ্ড সোঁৱৰণী বৰবিহুৱতী, উত্তম কুমাৰ পাঠক সোঁৱৰণী সৰু বিহুৱতী, মৌকুঁৱৰী, মৌপৰী, বিহুৱা প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। যোগাযোগ কৰক- ৯৮৯৯২৩৯১৭৩, ৯৮৬৮২৩৮২২৪, ৯৮৭৩৭৬৩৮১১, ৯৯১১৭০৫৯৬৮, ৮৩৬৮৭১৪৭৫৬, ৯৮৭৩৯২১০০১

## শোকপ্ৰকাশ

যোৱা ১৮ ফেব্ৰুৱাৰীত অসম এছোচিয়েছন, দিল্লীৰ এগৰাকী সক্ৰিয় আজীৱন সদস্য মাধৱ চন্দ্ৰ শৰ্মাৰ বিয়োগ ঘটে। অসম এছোছিয়েছন, দিল্লীয়ে তেওঁৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

## উৰুলিৰ নতুন বিষয়ববীয়া নিৰ্বাচিত

যোৱা ১৫ মাৰ্চৰ দিনা শ্ৰীমন্ত শংকৰদেৱ ভৱনত উৰুলিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। এই সভাতেই উৰুলিৰ নতুন কাৰ্যনিৰ্বাহক কমিটিখন গঠন কৰা হয়। ২০১৮-২০২০ বৰ্ষৰ বাবে গঠিত এই কাৰ্যনিৰ্বাহক কমিটিৰ বিষয়ববীয়াসকল হ'ল- ডঃ মলয়া খাওন্দ-সভানেত্ৰী, প্ৰাৰ্থনা বৰুৱা-উপসভানেত্ৰী, অপৰ্ণা চক্ৰৱৰ্তী-সাধাৰণ সম্পাদিকা, অঞ্জলী শইকীয়া-সহকাৰী সম্পাদিকা, আৰু ড° অজন্তা বৰুৱা দাস- কোষাধ্যক্ষা। কমিটিৰ সদস্যাসকল হ'ল-মনিদীপা ভূঞা, ৰীণা সন্দিকৈ, নিৰ্মলা হাজৰিকা, আৰু গীতা মেধি। দুগৰাকী পদেন সদস্যা হ'ল ৰুমী শৰ্মা আৰু ইনু নাথ।

## শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ পুথিভঁৰাললৈ কিতাপ দান কৰক

শ্ৰীমন্ত শংকৰদেৱ ভৱনত থকা অসম এচছিয়েছন, দিল্লীৰ সৰু অথচ আটোম-টোকাৰি পুথিভঁৰালটো বিগত কিছুদিন ধৰি অব্যৱহৃত হৈ পৰি আছিল, যত্নৰ অভাৱত কিছুমান কিতাপ নষ্টও হৈছে। এছোচিয়েছনৰ নতুন কাৰ্যনিৰ্বাহকে পুথিভঁৰালটোত পূৰ্বৰ দৰেই পুনৰ প্ৰাণসঞ্চাৰ কৰিবলৈ অলপতে লোৱা সিদ্ধান্ত অনুসাৰে পুথিভঁৰালত গোটখোৱা ধুলি মাকতি আৰু কীট-পৰুৱাবোৰ জাৰি-জোকাৰি আঁতৰাই কিতাপবোৰ নতুনকৈ থানথিত লগোৱাৰ কাম বৰ্তমান চলি আছে। সোনকালেই পঢ়ুৱৈসকলৰ ব্যৱহাৰৰ বাবে পুথিভঁৰালটো পুনৰ মুকলি কৰি দিয়া হ'ব। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই পুথিভঁৰালটোৰ সকলো কিতাপেই বিভিন্ন শুভাকাংক্ষীয়ে দান দিয়া, যিবোৰৰ ভিতৰত কিছুমান বিৰল কিতাপো আছে। দান দিওঁতাসকলৰ স্মৃতি বিজড়িত এই কিতাপবোৰ আমাৰ সকলোৰে বাবে অমূল্য সম্পদ। এতিয়াও কোনোবাই ইচ্ছা কৰিলে ন-পুৰণি (পঢ়িব পৰা অৱস্থাত থকা) কিতাপ দান দি শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ এই পুথিভঁৰালটো অধিক চহকী কৰি তোলাত মহান অৰিহণা যোগাব পাৰে। তাৰ বাবে ইচ্ছুক মহানুভৱ সকলে হিৰণ দত্ত (৯৮১০৪৫২৪৪২) আৰু মানিক দাশ (৯৮১০৭০৪৩৯২)ৰ সৈতে যোগাযোগ কৰিব পাৰে।

## শংকৰদেৱ ভৱনত CCTV কেমেৰা আৰু আৰহ সংগীতৰ মূৰ্চ্ছনা

শ্ৰীমন্ত শংকৰদেৱ ভৱনত আজিকালি যি প্ৰৱেশ কৰে তেওঁ লগে লগেই CCTV কেমেৰাত দৃষ্টিগোচৰ হৈ পৰে। তাৰ দেখ-দেখ প্ৰমাণ হ'ল ভৱনৰ অভ্যৰ্থনা কক্ষত চলি থকা মনিটৰটো। শংকৰদেৱ ভৱনত হেনো CCTV কেমেৰা আগতেও আছিল। কিন্তু সংখ্যা আৰু গুণাগুণৰ ফালৰ পৰা মুঠেই আশানুৰূপ নাছিল। এতিয়া সেই অতি প্ৰয়োজনীয় অভাৱটো পূৰণ কৰি এছোচিয়েছনৰ সাংস্কৃতিক আৰু শৈক্ষিক ন্যাসে প্ৰশংসনীয় কাম কৰিছে।

শংকৰদেৱ ভৱনত হোৱা আন এটা আদৰণীয় কাম হৈছে পৃষ্ঠপটত এক আৰহ সংগীত অনবৰতে বাজি থকাৰ ব্যৱস্থা কৰাটো। এতিয়াৰে পৰা শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ ভিতৰ চ'ৰাত সুমধুৰ সংগীতৰ মূৰ্চ্ছনাই পৰিৱেশটো প্ৰশান্ত আৰু গুৰুগম্ভীৰ কৰি ৰাখিব। উল্লেখযোগ্য যে ইয়াৰ বাবে প্ৰয়োজনীয় Home Theater টো ভৱনলৈ দান দিছে ৰাজধানীৰ অসমীয়া মহিলাসকলৰ সংস্থা উৰুলিয়ে। তাৰ বাবে উৰুলি আটাইৰে ধন্যবাদৰ পাত্ৰ।

**New Life members of Assam Association, Delhi**

**L--791 Sri Prasanta Das, L--792 Ruma Saikia, L--793 Purabi Dutta Chaudhary**

**L--794 Mausumi Das, L--795 Soumik Hazarika, L--796 Diganta Kumar Nath**